# মই মোক বহুদিন লগ পোৱা নাই



4511
AR

ময়ূৰী বৰুৱা


CENTRAL LIBRARY
ASSAM WOMEN'S UNIVERSITY
Jorhat - 785004
Acc No. 1183
Class No. 891.4511 Book No. BAR
Author Baruah, Ma

Acc. No. 1183
CENTRAL LIBRARY
ASSAM WOMEN'S UNIVERSITY
Jorhat - 785004

1. Books may be retained for a period not exceeding 15 days by the Students and 30 days by Teachers.
2. Books may be renewed on request at the discretion of the Librarian.
3. *Any injury to a book is a serious offence. Unless the borrower points out the injury at the time of borrowing the book, he/she shall be required to replace the book or pay its price as per Library rules.*

HELP TO KEEP THE BOOK FRESH & CLEAN

# মই মোক বহুদিন লগ পোৱা নাই



ASSAM WOMEN'S UNIVERSITY Library
Central Library
Assam Women's University
Accession No.: 1183
Date: 20/06/23

ধ্ৰুপদী প্ৰকাশ
চানমাৰি, গুৱাহাটী-২১

# মই মোক বহুদিন লগ পোৱা নাই

# MOI MUK BAHUDIN LOG PUA NAI

*A collection of assamese poems written*

by **Mayuri Baruah**

and published by **Dhrupadi Prakash**

*printed at Umachal Offset Printers , Chandmari. Guwahati-21*

Ph : 0361-2666010 (O)

Cell : 9864041267,9954041267

প্ৰথম প্ৰকাশ ঃ আগষ্ট, ২০০৮

প্ৰচ্ছদ ঃ নীৰেণ তালুকদাৰ, কমল জিৎ বৈশ্য

অলংকৰণ ঃ প্ৰণৱ দাস

মূল্য ঃ ১০ টকা

মুদ্ৰণ ঃ **উমাচল অফ্‌ছেট প্ৰিন্টাৰ্চ, চানমাৰি**

জি.এম. চি. মাৰ্কেট, প্ৰথম মহলা ঃ ৩৯-৪০, গুৱাহাটী-২১

ফোন ঃ ০৩৬১-২৬৬৬০১০, ৯৮৬৪০-৪১২৬৭, ৯৯৫৪০-৪১২৬৭



## জন্মৰ কিছু কথা

"মৰমে মধুৰ কৰা কবিতাৰ দাম হয়তো হ'ব পাৰে আকাশ জোনাক আৰু বহুতো ামধেনু'। কেনেকৈ জীয়াই থাকিলে মানুহ সুখী হ'ব পাৰে? "Everything is fair" হয়, হ'ব নোৱাৰে। ব্যস্ততাৰ মাজত কেতিয়াবা নিজকে হেৰুৱাই পেলাবলগীয়াত পৰোঁ। চৌদিশ মাথোঁ শূন্য। আজিৰ যান্ত্ৰিকতাৰ যুগত আমি যিমানেই বস্তুবাদী হৈ পৰিছোঁ িমানেই নিজেই নিজৰ অচিনাকী হৈ আহিছোঁ। ডাৱৰে ঢাকি পেলোৱা মনবোৰৰ অশৃংখল কাণত নিষ্পেষিত, ৰুক্ষ, শুষ্ক, অনাথৰ দলে জোনাকৰ পৰিহাস ৰচে। মোৰো হৃদয়ত াৰ যায় বহুত হাঁহিৰ পাণ্ডুলিপি। তথাপি মোৰ চকুত নিতৌ নতুন সপোনৰ সৃষ্টি... াঘল ৰাতিবোৰত অটল বেদনাই মোৰ সংগী। 'বগলী এ' বগা ফোঁট দি যা' শুনি শুনি াইৰ কোলাত টোপনি যোৱা কথাবোৰে মোৰ ষোড়শী গাভৰুৰ মনটোক, মোৰ পোনবোৰক উন্মাদ কৰি তুলিলে। যুৱমনৰ মহালক্ষ্য অভিমুখী মহাযাত্ৰাৰ সংগী 'মুহূৰ্ত' াহেকীয়া আলোচনীখনে মোৰ হেৰাই যাব খোজা আবেগৰ খতিয়ান লৈ মোৰ অনুভৱক াণ দিলে। তাৰে পৰাই জন্ম হ'ল 'মই মোক বহুদিন লগ পোৱা নাই' কাব্য সংকলনটিৰ।

অকণমান হ'দ বিচাৰি.......কথা দি দি নোৱাৰা হ'লেকোনো কথা দিবলে' ক'ত াকিব... মোৰ বুকুৰ বিষাদৰ ভাৰ? যদিও 'মই মোক বহুদিন লগ পোৱা নাই' তথাপি াপোনাক লগ পোৱাৰ বহু হেঁপাহবে ৰও.... কেতিয়াবা মন গ'লে মোৰ কফি হাউছৰ ৰা ওলাই সেউজীয়া সপোনৰ সেউজীয়া গোন্ধ ল'বলৈ.......

***স্বাৰ্থপৰ নহঁও আপোনালোকৰ ওচৰত—***

পৰম পূজনীয় মা-দেউতা, গ'ল্ডি দা, টিপ দা, ইনা।

***নপঢ়ি নোৱাৰো...........***

যুগমীয়া হৈ ৰয়, নিমিষতে নেহেৰায়... নাপাহৰো পলকতে— আপোনালোকৰ ব্দবোৰ.....

উইলিয়াম ৱৰ্ডছৱৰ্থ কিট্‌ছ, লক্ষ্মীনাথ বেজবৰুৱা, নলিনীবালা দেৱী, নৱকান্ত বৰুৱা, নীন্দ্ৰ কুমাৰ মেধী, মেগন কছাৰী।

'মই মোক বহুদিন লগ পোৱা নাই '— মোৰ প্ৰথম প্ৰয়াস মাথো। সপোনৰ ডেউকা লি উৰিব খোজা ইয়াত সন্নিবিষ্ট কবিতাবোৰ জীৱনত জোনাক বিচাৰিবলৈ শিকোৱা াৰ আইৰ হাতত।

# কবিতা সূচী—


- অনন্যা ★ ১
- এটি দুটি জিলমিল তৰা ★ ২
- নীলা ★ ৩
- পাখি লগা দিনবোৰ ★ ৪
- ৰামধেনু ★ ৫
- ভৰ দুপৰীয়া ★ ৬
- মৌনতা-মৃত্যু ইত্যাদি ★ ৭
- উষা, সাৰে আছানে তুমি? ★ ৮
- মাঘৰ বিহুৰ মেজি ★ ৯
- অৰণ্য ★ ১০
- উয়েঁ খোৱা কিংখাপ পিন্ধি ★ ১১
- শব্দ ★ ১২
- খোজ ★ ১৩
- মই মোক বহুদিন লগ পোৱা নাই ★ ১৪
- ব'হাগ, মাথো তোমাৰ বাবেই.... ★ ১৫
- চিগাৰেট ...*The voice of Silence* ★ ১৬




# অনন্যা



নাৰী তুমি অনন্যা
নিলিখো মই তুচ্ছ
নহঁও মই উচ্চ
ন্যালাগে যুদ্ধ সমল
অন্যায় শক্তিৰ স্বৰ্ত


মই মাথোঁ ক'ব খোজো
তুমি মহা ত্যাগী
নাৰী তুমি বিশ্বব্যাপী...

জ্বলি যোৱা অন্তৰৰ
পুৰি যোৱা ছাইৰে
সজালা তোমাৰ মুখনি
তথাপি,
তাতেই জিলিকি ৰ'ব
ধৰিত্ৰীৰ অমৰ কীৰ্তি...

# এটি দুটি জিলমিল তৰা

মইতো হেৰাই যাম
এটি দুটি জিলমিল তৰাৰ মাজত
আধৰুৱা হৈ ৰ'ব শিকা
জীৱনৰ আভিধানিক শব্দ

সুখৰ ক্ষণবোৰ
কেতিয়াবাই বজ্ৰাহত লীন হৈ গ'ল,
সময়ৰ তিক্ততা মিহলি
বিষাদৰ চিটিকনিত
পৰি ৰ'ল জীৱনৰ অৰ্থ
তেনেহ'লে জীয়াই
থকাৰ কাৰণ কি ?





# নীলা

*"Just coming to my heart"*
মোক স্পৰ্শ কৰা
তোমাৰ দেহৰ সমস্ত সুবাসেৰে, সুবাসিত কৰা !
মোৰ আজলী হিয়াত
তুলি দিয়া সুৰত লহৰ
তোমাৰ বুকুৰ আভাৰে.........
আঁকি দিয়া এটি যন্ত্ৰণাবিহীন ৰাতি
তোমাৰ কোমল দুটি ওঁঠেৰে.......

মই মোক চুই চাব পৰা হ'লে........

## পাখি লগা দিনবোৰ

সময়বোৰ উৰে
পখি লগা কাঁড়ৰ দৰে
তুমি ভালে থকাৰ খবৰ পালে
চকুলো হৈ নামি আহে
মোৰ শুভকামনা
দিনান্তৰ সূৰুয গলি শেষ হ'লে
মধুৰ হৈ আহে অতীতৰ
এমুঠি গুঞ্জনা...

সমস্ত পৃথিৱীৰ মৰমেৰে তুমি মোক
সাৱটি ৰখা দিনবোৰ
ক'ৰবাত লুকুৱাই থ'ব পৰা হ'লে!!



## ৰামধেনু

মনৰ কথাতো আনক ক'ব নোৱাৰি
অনুভৱৰ স্তৰে স্তৰে
প্ৰেমৰ গুণ গুণ শব্দ
সম্ভৱতঃ আপোনাৰ প্ৰেমে
মোক পুৰি পেলাব!!

আঙুলিত চিনাকি চিনাকি গোন্ধ
সাৰে আছে এতিয়াও
আকাশৰ চেঁচা জোন,
মৰমে মধুৰ কৰা কবিতাৰ সুৰতেই
ওলমি আছে এতিয়াও
বহুতো ৰামধেনু,
কোনে ক'ব পাৰে—

আজি নিশাৰ জোনৰ মুখৰ কলংখিনি
কাইলৈ সৰি পৰিব জিৰ্‌জিৰ্‌কৈ
মোৰ মূখলৈ,
সোণৰ সপোন গুৰি কৰি পেলাব
হৃদয়ৰ কোণবোৰ ভগাশিলে ফালি পেলাব!
তথাপিতো চিৰদিন আশাত বন্দী—
দুচকুত নতুন সপোন পিন্ধি
জোনাক আকৌ আহিব......

# ভৰ দুপৰীয়া

ক্ৰমশঃ জুইয়ে হেৰুৱাব উত্তাপ
পানীয়ে শীতলতা
গছৰ মিনাৰবোৰলৈ গান গাই
চৰাইবোৰ উভতি নাহিব।
শাওনৰ মেঘক 'সখা' বুলি
খেতিয়কে নামাতিব,
প্ৰেমে যদি উপহাৰ নিদিয়ে
এটা উজাগৰী ৰাতি;.........
চকু মেলি চাব নোৱাৰিম
আকাশৰ নীলা ৰং,
হেৰাব পথাৰৰ সেউজ বৰণ,
অনুভৱৰ চেতাৰত নাবাজিব নৈসাৰ্গিক স্বৰলিপি,
প্ৰেমে যদি নিশিকায় মাৰিবলে'
এটা মিঠা হাঁহি;....
ঘুমতি হেৰাব কঁহুৱাৰ শীতল বাট
আই! তোৰ চোতালত উমলি-জামলি
উলাহতে খেলিছিলো দৰা-কইনা,
সাজিছিলো বালিঘৰ তোৰেই বালিডৰাত
গাঁৱৰ ধূলিয়ৰি বাটৰ গৰুৰ টিলিঙা
যদি এতিয়া উভতনি যাত্ৰা!
প্ৰেমৰ যাতনা যদি নহয় সুৰীয়া,
সুৰ দি মিলাব নোৱাৰিম মোৰ গান
হ'ব বেসুৰা—
হেৰুৱাম শূন্যতাৰ কোলাতেই মোৰ এই
বুকুৰ ঠিকনা
ভৰ দুপৰীয়া......



# মৌনতা-মৃত্যু ইত্যাদি

মোৰ হৃদয়
পৰিচিত পখীৰ চকুপানীত
মোৰ অনুভৱ
অন্ধ বিশাল সাগৰতলিত
মোৰ চেতনা
নাৰীৰ সংগ কামনাথলিত
মোৰ শৰীৰ
উকুডা পথাৰৰ জঠৰ বালিত...
মোৰ বাবে
মৌনতা—
এক প্ৰাচীন নিয়ম
মৃত্যু—
এক শূন্য অনৰ্থক অধিকাৰ.....



# উষা, সাৰে আছানে তুমি ?

আকণ্ঠ পান কৰিব দিয়া মোক
তোমাৰ প্ৰেমৰ সৰোবৰ
বিষাদিত হৃদয়ৰ নিৰ্জনতা ভাঙি
সম্প্ৰতি অগ্নিগড়
সিঁচৰিত হওঁক তোমাৰেই দেহত
জীৱনৰ ছন্দ.......!!
পৃথিৱীয়ে মিছা নকয়
সুখ-দুখৰ প্ৰশান্তি গভীৰ প্লাৱন তুমি
আমাৰ স্নায়ুত থাকা বিয়পি
তুমি,
তেজপুৰৰ বীণৰ ৰাগি
উষা,
সাৰে আছানে তুমি.......?

উষা, সাৰে আছানে তুমি
টোপনি গ'লা
হ'ব দিয়া
ময়ো জানো
দুখত দীঘল ৰাতি।




# মাঘৰ বিহুৰ মেজি

ফাগুনৰ পছোৱাজাক নাঁহোতেই
মই উত্তপ্ত উজ্জ্বল জুই হৈ জ্বলিম
আৰু পুৰি নিম
মেজিঘৰ, গাঁও, চহৰ, দেশ......

তোমাৰ কপালতো
হ'ব লেখা
গোটেই জীৱনৰ দুৰ্দশা—
জুইৰ ফিৰিঙতিয়ে তোমাকো স্পৰ্শ কৰিব
নহ'ব আমাৰ পুনৰায় দেখা।

(১৯৮৪ চনত জ্বলি উঠা মেজিটোক সুঁৱৰি)



Central Library
Assam Women's University
Accession No.:...1182...
Date..20/06/23...

# অৰণ্য

উন্মাদৰ দৰে ভালপায়
ৰাতিৰ ৰক্তস্ৰাতা
আলকাতৰাৰ দৰে ক'লা অন্ধকাৰ
সোণালী স্তব্ধতা ভাঙি
দুঃসহ বিষ্ময়ত উটি যায়
মৃত্যু আৰু সৌন্দৰ্য্যৰ সমাহাৰ...

স্বপ্নৰ অৰণ্যত বিচাৰে
আধুনিক সভ্যতাৰ সংযোজন
যাৰ নাই অতীত-ভৱিষ্যত
কেৱল বৰ্তমান আৰু বৰ্তমান
সময়ৰ বুৰঞ্জী তাতে সমাহাৰ

আকাশ নতুবা নদী
প্ৰেমৰ একেই গতি
পুৰুষেই সজা পুতলা-আমি।

প্ৰাচীন দিনৰে পৰা অৰ্থহীন কৰ্মৰ
শান্তিৰ আশ্বাস! দ্ৰৌপদীৰ বিশ্বাস।
আমাৰ ঐতিহ্য হোৱা তুমি - তিমিৰ ৰাত্ৰিৰ আলোক বাণী

পুৰুষেই ঘৃণা কৰা এটি সন্ত্ৰাস
দেহৰ বিলাস বৃথা
নিয়তিৰ আমোঘ সংকেত
হোৱা সন্ন্যাসিনী!
হোৱা সন্ন্যাসিনী!
হোৱা সন্ন্যাসিনী!



# উয়েঁ খোৱা কিংখাপ পিন্ধি

উয়েঁ খোৱা কিংখাপ পিন্ধি
বুটা বছা খম খম প্ৰতিটো প্ৰভাত
জাপ জাপ চিঠি অহা দিন উকলিল
ডেই পুৰি ছাই হ'ল সেয়া প্ৰতি সন্ধিয়াত.....

মইনাৰ টোপনি আহে
ন-ন বোমা ফুটুৱাই
মিছিছিপি হোৱাঙহোৰ টোৱে
যায় যেন কাৰোবাক কন্দুৱাই .....

ইকৰাৰ বেৰ আৰু খেৰৰ চালৰ তলত
কেৱল মা আৰু মই
বতাহত ভৰি পৰে কুঁৱলীৰ গোন্ধ
তেতিয়া জানানে সময়বোৰ মৃত্যু হয়।

## শব্দ

শব্দ মোৰ জীৱন
কেতিয়াবা যন্ত্ৰনা.....
কেতিয়াবা নিঃস্বতা......

কিন্তু তাৰ মাজতো
যেতিয়া শব্দ আহে
সুখৰ নাওতে উটি—

মই গান গাও
মই কবিতা হৈ যাঁও
কেৱল
ধ্বংসাত্মাৰ ওঁঠতেই লাগি ৰ'বলে!!!



## খোজ

সময়ৰ ডঁৰিয়লিত
শব্দৰ খোজ
মই বুজি পাওঁ দুটি ওঁঠৰ সম্পৰ্ক
মই চিনি পাঁও সুখ-দুখ দুটি চৰিত্ৰ......

ব্যাকুলতাৰ বুৰঞ্জীৰ পাত লুটিয়াই
তোমাৰ বাবেইতো হাঁহো
তোমাৰ বাবেইতো কান্দো
বলিয়ালিৰ শেষত
সহনশীলতাৰ পোছাকযোৰ পিন্ধো.....
সকলো শূন্যতা আৰু অৰ্থহীনতাৰ শেষত
চিনাকি ওঁঠৰ হাঁহিৰ বাঁহী
কৰ্ণমান স্পৰ্শ
কৰুণ এটি সুৰ
যাৰ ভাৱনাই মোক লৈ যায়
জোনাক চুবলৈ
বিশাল ইচ্ছাৰ বুৰঞ্জী সাৱটি....
সময়ত ডঁৰিয়লিত
মাথোঁ শব্দৰ খোজ
মইও ৰৈ থাকোঁ তোমাৰ বাবে
সপোনৰ সিপাৰৰ ৰ'দৰ বাবে........

# মই মোক বহুদিন লগ পোৱা নাই

একোৱেই নাই
লুকুৱাই থ'ব পৰাকৈ
পানীপিয়াৰ দৰে শূন্যতে
বিচাৰি ফুৰিছো নৈ.....

দুহাতত ভৰি আছিল
ভালপোৱাৰ কবিতাবোৰ
প্ৰেমৰ অৰণ্যৰ মাজে মাজে
সেউজীয়া বতাহজাক
জিৰ্ জিৰ্ এবুকু জোনাক..

ওখ ওখ বিৰিখৰ বুকুত
গোপন সপোনবোৰ
পৃথিৱীৰ বাবে সহজবোধ্য
কিন্তু, মোৰ বাবে নহয়.....

মই যে মোক বহুদিন লগ পোৱা নাই!!
দেখা নাই—
মোৰ তেজ আৰু ঘামৰ গোন্ধেৰে
বিয়পি থকা ছবি.........

কালৰো যে কি গতি?
কিয় এনে হয়?
ক্ৰমশঃ সকলো ধূসৰ হৈ
অতীতৰ ছয়াময়া ছবি
মাথোঁ অস্থিৰ উচুপনি হৈ ৰয়!!





# ব'হাগ, মাথো তোমাৰ বাবেই....

তুমি আহিছা বাবেই
বিহুটি আহে এই নগৰলৈ
দুষ্ট বতাহক পৰাভূত কৰি
ঢোল, পেঁপা, গগনাৰ সুৰেৰে
আকাশৰ স্পৰ্শ কৰিবলৈ........

তুমি আহিছা বাবেই
প্ৰেম আহে প্ৰেম হৈ
আবেলি আবেলি গোন্ধোৱা
ওঁঠৰ হাঁহিত বিষন্নতা আঁতৰাই
ঘুনাসুঁতিৰ পাৰলৈ.......

তুমি আহিছা বাবেই
সপোন বাঢ়ে মোৰ দুচকুলৈ
লুইতখনে গাই বাঢ়নীয়া গান
দিশহাৰা নাওখনো সাৰ পায়
তোমাকেই চাবলৈ......
ব'হাগ, মাথোঁ তোমাৰ বাবেই আকাশ
তোমাৰ বাবেই বতাহ।।
বেলিটোৱে সমস্ত সেন্দুৰ সানি
লুইতত ডুব যাব খোজা সময়তো যে
কুচি মুচিকৈ বহি থাকে ফুটপাথৰ ওপৰত
তেঁৰো কিজানি জীয়াই আছে—
ব'হাগ,
মাথো তোমাৰ বাবেই......

# চিগাৰেট ...The voice of Silence

Who tells–
It is injuriousd
It is dangerous
It raps the health..........

এটা জীৱনৰ অনুৰোধত
তোমাৰ প্ৰেমত পৰিলো
এটা হাঁহিৰ আশাত
তোমাক সাৱটি ল'লো......
নীৰৱে লুকাই গ'লা
ৰান্ধনি বেলিৰ দৰে
উৰি যোৱা চৰাইবোৰৰ
নীলা আকাশৰ সিপাৰে......
ঐনিতমৰ সুৰত চঞ্চল চিত্ত
মুক্ত নীলিমাৰ তলত
বিশ্বাসত শব্দবিহীন ভাষা
জোনটিও বলিয়া আবেগৰ জোৱাৰত....
ৰঙা পাহিৰ কৃষ্ণচূড়া, পলাশৰ ৰঙা তেজ
আজি সকলো এপাহ বগা ফুল—
জীৱনৰ সপোনবোৰ য'ত
জ্বলি জ্বলি ভষ্ম হ'ল
ধোঁৱাবোৰ উৰিছে
কুণ্ডলী পকাই
ঠিক চিগাৰেটৰ ধোঁৱাৰ দৰে
মিলি গৈছে আকাশৰ নীলাখিনিত—

*বি.দ্ৰ.* মধ্যমা আৰু তৰ্জনীত জোৰকৈ হেচি ৰখা চিগাৰেটৰ জুইয়ে স্পৰ্শ কৰিছিল মোৰ চেতনা।

সাম্প্ৰতিক অসমীয়া সাহিত্যত নবীন লেখক-লেখিকাই যথেষ্ট চৰ্চাত ব্ৰতী হৈছে— এই সকলৰ ভিতৰত ময়ুৰী বৰুৱাও অন্যতম। তেওঁৰ কবিতাত প্ৰেম আৰু বিষাদৰ জ্বালা সুন্দৰ ভাৱে অংকিত হৈছে আৰু সমাজৰ কুটিল চি ই যে মানৱ সভ্যতাৰ অন্তৰায় এই কথাও স্পষ্ট ভাৱে শ পাইছে। শেষত কবিগৰাকীয়ে চেষ্টাক অব্যাহত ৰা লে সফল হ'ব পাৰিব। 'মই মোক বহুদিন লগ পোৱা নাই' কাব্য গ্ৰন্থখনিৰে ভুমুকি মৰা এই কবি গৰাকীয়ে এদিন যে প্ৰতিষ্ঠা লাভ কৰি পাৰিব এই কথা নিশ্চিত।

খনীন্দ্ৰ কুমাৰ মেধী

891